**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-06-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আন্তৰাষ্ট্ৰীয় সমুদায়ক আহ্বান জনাইছে।

২। বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে বিগত এঘাৰ বছৰত প্ৰযুক্তি দেশৰ উন্নয়নৰ চালিকাশক্তিত পৰিণত হৈছে বুলি প্ৰকাশ কৰিছে।

৩। ত্ৰিপুৰা দেশৰ ভিতৰতে তৃতীয়খন সম্পূৰ্ণ-সাক্ষৰ ৰাজ্যৰূপে পৰিগণিত হৈছে।

৪। ইৰানৰ সংসদে আজি বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ তেল আৰু গেছ্ পৰিবহন পথ হৰমুজ প্ৰণালী বন্ধ কৰি দিয়াৰ প্ৰস্তাৱত সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়। ***আৰু***

৫। হেডিংলী টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে দ্বিতীয় ইনিংছত ইংলেণ্ডৰ বিৰুদ্ধে প্ৰত্যাহ্বানমূলক স্কৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে।

০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ্ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আন্তৰাষ্ট্ৰীয় সমুদায়ক আহ্বান জনাইছে। আয়াৰলেণ্ডৰ কৰ্কৰ আহাকিস্তাত এয়াৰ ইণ্ডিয়াৰ কনিস্ক নামৰ বিমানখনৰ বোমা বিস্ফোৰণৰ ঘটনাৰ চাৰিটা দশক পূৰ্ণ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। শ্ৰীপুৰীয়ে কয় যে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে যুজ দিয়াৰ বাবে সকলোৰে একেলগে ঠিয় দিয়া উচিত। শ্ৰীপুৰীয়ে কয় যে, এয়া কেৱল এটা দুৰ্ঘটনা নহয় বৰং ভাৰতক পৃথক কৰাৰ বাবে ইচ্ছাকৃতভাৱে কৰা এটা অতি বৰ্বৰ কাৰ্য। সন্ত্ৰাসবাদ আৰু উগ্ৰবাদ পূৰ্বৰ সমস্যা নহয় বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান সময়ত এনে ভাবুকিয়ে সমগ্ৰ বিশ্বৰে নিৰ্দোষী জনসাধাৰণৰ জীৱন বিপদাপন্ন কৰি তুলিছে। তেওঁ লগতে কয়, যে ভাৰতে দশকজুৰি জম্মু-কাশ্মীৰ, পাঞ্জাৱ, মুম্বাইকে ধৰি বিভিন্ন অংশত সন্ত্ৰাসবাদৰ পৰিণাম ভুগি আহিছে।

শ্ৰীপুৰীয়ে সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ ক্ষেত্ৰত ভাৰতৰ সৈতে একত্ৰিত হ'বলৈ কানাডা চৰকাৰক আহ্বান জনাই কয়, যে কানাডা হৈছে এখন গুৰুত্বপূৰ্ণ অংশীদাৰ তথা মিত্ৰ দেশ। তেওঁ দুয়োখন ৰাষ্ট্ৰকে এইক্ষেত্ৰত গভীৰ সহযোগিতাৰে কাম কৰিবলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ নেতৃত্বত ৮ জনীয়া ভাৰতীয় প্ৰতিনিধিৰ এটা দলে কনিস্ক বোমা বিস্ফোৰণত নিহত লোকসকলৰ প্ৰতি আয়াৰলেণ্ডৰ আহকিষ্টা মেম'ৰিয়েলত শ্ৰদ্ধা জ্ঞাপন কৰে। আয়াৰলেণ্ডৰ প্ৰধানমন্ত্ৰী মিখাইল মাৰ্টিন আৰু কানাডাৰ ৰাজহুৱা সেৱা দপ্তৰৰ মন্ত্ৰী গেৰী আনন্দসাংগেৰীয়েও নিহতসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে ১৯৮৫ চনৰ আজিৰ তাৰিখতে কানাডাৰ মণ্টিল চহৰৰ পৰা লণ্ডন হৈ নতুন দিল্লীলৈ যাত্ৰা কৰা এয়াৰ ইণ্ডিয়াৰ 182 বিমানখন আট্‌লাণ্টিক মহাসাগৰৰ ওপৰত মাজ আকাশত বিস্ফোৰিত হৈছিল। কানাডাস্থিত খালিস্তানী উগ্ৰপন্থীয়ে সংঘটিত কৰা এই বৰ্বৰ আক্ৰমণত ৮০ টা শিশুসহ ৩২৯ গৰাকী যাত্ৰীয়ে প্ৰাণ হেৰুৱাইছিল। বিমানখনত কানাডা আৰু অন্য বহুদেশৰ লগতে অধিকাংশ যাত্ৰী ভাৰতৰ আছিল।

০০০০

বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে  বিগত এঘাৰ বছৰত প্ৰযুক্তি দেশৰ উন্নয়নৰ চালিকাশক্তিত পৰিণত হৈছে  বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বিগত এঘাৰ বছৰত বৈজ্ঞানিক সাফল্য সন্দৰ্ভত এখন সংবাদমেলত ভাষণ দি ড° সিঙে কয় যে ২০১৪ চনত দেশত কেৱল ৫০ টা জৈৱ প্ৰযুক্তি ষ্টাৰ্টআপ আছিল যিটো বৰ্তমান সময়ত ১০ হাজাৰতকৈও অধিক বৃদ্ধি পাইছে। ভাৰতৰ অনৈক্যৰ মাজত ঐক্যৰ ধাৰণাত গুৰুত্ব আৰোপ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বহনক্ষম উন্নয়নৰ বাবে জৈৱ বিচিত্ৰতাক অন্যতম গুৰুত্বপূৰ্ণ সম্পদ বুলি অভিহিত কৰে। ড° সিঙে তেওঁৰ ভাষণত নৱভাৰত গঢ় দিয়াৰ ক্ষেত্ৰত বিজ্ঞান, উদ্ভাৱন আৰু সংস্কাৰমূলক প্ৰশাসনৰ ভূমিকাৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে ভাৰত বিশ্বৰ দশম সৰ্ববৃহৎ অৰ্থনীতিৰ পৰা চতুৰ্থ স্থানলৈ অগ্ৰগতি লাভ কৰিছে। দেশক শীৰ্ষস্থানত উপনীত কৰাৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰাটো তেওঁৰ বিভাগৰ দায়িত্ব বুলিও শ্ৰীসিঙে উল্লেখ কৰে।

০০০০

ত্ৰিপুৰা দেশৰ ভিতৰতে তৃতীয়খন সম্পূৰ্ণ-সাক্ষৰ ৰাজ্যৰূপে পৰিগণিত হৈছে। আজি আগৰতলাৰ ৰবীন্দ্ৰ ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী ড° মানিক সাহাৰ উপস্থিতিত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে এই বিষয়ে সদৰি কৰে। এই সফলতা ত্ৰিপুৰাৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° সাহাই মিজোৰাম আৰু গোৱাৰ পাছতে দেশৰ তৃতীয়খন সম্পূৰ্ণৰূপে সাক্ষৰ ৰাজ্য হিচাপে পৰিগণিত হোৱা ত্ৰিপুৰাৰ প্ৰতিগৰাকী নাগৰিকলৈ অভিনন্দন জ্ঞাপন কৰে। শিক্ষা গ্ৰহণৰ কোনো নিৰ্দিষ্ট বয়স বা সময় নাই বুলি মন্তব্য কৰি ড° সাহাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণৰ লক্ষ্য পূৰণৰ দিশত সাক্ষৰতা অন্যতম চাবিকাঠি বুলি উল্লেখ কৰে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণৰ দ্বিতীয়টো সংকলন **ৰিংজ টু আৱাৰ হোপছ্‌ নামৰ গ্ৰন্থ**খন মুকলি কৰে। উল্লেখযোগ্য যে এইটো সংকলনত ২০২৩ চনৰ আগষ্ট মাহৰ পৰা ২০২৪ চনৰ জুলাই মাহলৈকে বিভিন্ন অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰদান কৰা ভাষণসমূহক লিপিবদ্ধ কৰি গ্ৰন্থৰ ৰূপ দিয়া হৈছে। আজিৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী এল মুৰুগানো উপস্থিত থাকে। গ্ৰন্থখন মুকলি কৰি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে এই সংকলনে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত প্ৰতিগৰাকী নাগৰিকক নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ অনুপ্ৰাণিত কৰিব বুলি মন্তব্য কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই গ্ৰন্থখনৰ জৰিয়তে ভৱিষ্যতৰ প্ৰজন্মসমূহক বৰ্তমানৰ ৰাষ্ট্ৰপতিগৰাকীৰ জনকল্যানমূলক চিন্তা চৰ্চাৰ বিষয়ে সজাগ কৰি তুলিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে **ৰিংজ টু**

**আৱাৰ হোপছ্‌ৰ** দ্বিতীয়টো সংকলন হিন্দী আৰু ইংৰাজী ভাষাত প্ৰকাশ কৰা হৈছে আৰু গ্ৰন্থখনৰ অনলাইন সংস্কৰণো উপলব্ধ হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী সংগ্ৰহালয় আৰু পুথিভড়াল সমাজৰ ৪৭ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত অধ্যক্ষতা কৰে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, নিৰ্মলা সীতাৰমন, অশ্বিনী বৈষ্ণৱ, গজেন্দ্ৰ সিং সেখাৱট আৰু ধৰ্মেন্দ্ৰ প্ৰধানকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শ্ৰীমোদীয়ে ২০২২ চনত প্ৰধানমন্ত্ৰী সংগ্ৰহালয় মুকলি কৰিছিল। এই সংগ্ৰহালয়ত দেশৰ প্ৰতিগৰাকী প্ৰধানমন্ত্ৰীৰ অৱদান তথা কিদৰে আমাৰ গণতন্ত্ৰই সমাজৰ প্ৰতিটো শ্ৰেণীৰ নেতাক ৰাষ্ট্ৰ গঠনত অৰিহণা যোগোৱাত সুযোগ প্ৰদান কৰে সেয়া প্ৰদৰ্শন কৰা হয়।

০০০০

ইৰান আৰু ইজৰাইলৰ মাজৰ সংঘৰ্ষ অব্যাহত থকাৰ মাজতে ইজৰাইলৰ সেনা বাহিনীয়ে আজি নিচেই পুৱাতে ইৰানত পুনৰ বিমান আক্ৰমণ চলোৱা বুলি দাবী কৰিছে। সেনা বাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে, ইৰানৰ কাৰ্মানশ্বাহ সামৰিক ঘাটিক লক্ষ্য কৰি এই আক্ৰমণ চলোৱা হয়। ১৫ খনতকৈ অধিক যুদ্ধ বিমানেৰে এই অভিযান চলোৱা হয়। প্ৰত্যুত্তৰত ইৰানেও ক্ষেপনাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ চলায়।

ইপিনে, ইৰানৰ সংসদে আজি বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ তেল আৰু গেছ পৰিবহন পথ হৰমুজ প্ৰণালী বন্ধ কৰি দিয়াৰ প্ৰস্তাৱত সৰ্বসন্মতিক্ৰমে অনুমোদন জনায়। অৱশ্যে এই ক্ষেত্ৰত ইৰানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ চূড়ান্ত অনুমোদনলৈ অপেক্ষা কৰা হৈছে। ইফালে আমেৰিকা যুক্তৰাষ্ট্ৰই সেই খণ্ডত সতৰ্কতা বৃদ্ধি কৰি অতিৰিক্ত সামৰিক বাহিনী নিয়োগ কৰিছে। তথ্য অনুসৰি আমেৰিকাৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে হৰমুজ প্ৰণালী খোলা ৰখাৰ বাবে প্ৰয়োজন হ'ব পৰা যিকোনো পৰিস্থিতিৰ সন্মুখীন হবলৈ সাজু হৈছে।

ইৰানৰ বিদেশ মন্ত্ৰী আববাছ আৰঘ্‌ছি আঞ্চলিক আৰু আন্তৰাষ্ট্ৰীয় সুৰক্ষা সন্দৰ্ভত ৰাচিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিন আৰু অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাৰ বাবে আজি মস্কোত উপস্থিত হয়।

০০০০

আন্তৰাষ্ট্ৰীয় বজাৰত আজি খাৰুৱা তেলৰ মূল্য প্ৰায় এক শতাংশ বৃদ্ধি পাইছে। ইৰানৰ পাৰমানৱিক ঘাটিত আমেৰিকা যুক্তৰাষ্ট্ৰই আক্ৰমণ কৰাৰ পাছতেই খাৰুৱা তেলৰ মূল্য বৃদ্ধি পাইছে। ইৰানে খাৰুৱা তেল পৰিবহনৰ বাবে কৌশলগতভাৱে অতি গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালী বন্ধ কৰি দিয়াৰ ভাবুকিয়ে আন্তৰাষ্ট্ৰীয় বজাৰত উদ্বীগ্নতাৰ সৃষ্টি কৰিছে। এই প্ৰণালীৰ জৰিয়তে বিশ্বৰ মুঠ খাৰুৱা তেলৰ প্ৰায় ২০ শতাংশ যোগান ধৰা হয়।

০০০০

ছিৰিয়াৰ ৰাজধানী দামাস্কাচৰ এটা গীৰ্জাত কালি সন্ধিয়া আত্মঘাটি বোমা বিস্ফোৰণত কমেও ২২ জন লোকৰ মৃত্যু হোৱাৰ উপৰি ৬৩ জন লোক গুৰুতৰভাৱে আহত হয়। বহু বছৰৰ পাছত ৰাজধানী চহৰখনৰ খ্ৰীষ্টান ধৰ্মীয়স্থানত এনে আক্ৰমণ প্ৰথমবাৰৰ বাবে সংঘটিত হৈছে। তথ্য অনুসৰি চেইণ্ট ইলিয়াছ অৰ্থদস্ক গীৰ্জাত দেওবাৰে সন্ধিয়া প্ৰাৰ্থনাৰ বাবে লোকসকল সমবেত হোৱাৰ সময়তে দুজন আক্ৰমণকাৰীয়ে মুকলিকৈ গুলিচালনা কৰাৰ লগতে প্ৰৱেশ পথতে  বোমা বিস্ফোৰণ কৰে। এই আক্ৰমণত মহিলা আৰু শিশুৰ মৃত্যু হোৱাৰ তথ্যও পোৱা গৈছে।

০০০০

হেডিংলী টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে দ্বিতীয় ইনিংছত ইংলেণ্ডৰ বিৰুদ্ধে প্ৰত্যাহ্বানমূলক স্কৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে। কালি ২ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৯০ ৰাণৰ পৰা দ্বিতীয় ইনিংছ্ আৰম্ভ কৰি ভাৰতে সোনকালেই অধিনায়ক শুভমন গীলৰ উইকেট হেৰুৱায়। তৃতীয় উইকেটৰ পতনৰ পাছত উপ-অধিনায়ক ঋষভ পণ্ট বেট কৰিবলৈ আহে আৰু কে এল ৰাহুলৰ সৈতে লগ লাগি চতুৰ্থ উইকেটৰ যুটীত ভোজন বিৰতিৰ পৰলৈকে ৬০ ৰাণ যোগ কৰে। ভোজন বিৰতিত ভাৰতে ৩ উইকেটৰ বিনিময়ত ১৫৩ ৰাণ সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে আৰু ভাৰতে  ৩ টা উইকেটৰ বিনিময়ত ২৪০ ৰাণ সংগ্ৰহ কৰিছে।

বাতৰি যুগুতোৱাৰ পৰলৈ কে এল ৰাহুলে ১০০ আৰু ঋষভ পণ্টে ৮৪ৰাণ কৰি খেলি আছে।

০০০০

সমাপ্ত